জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭১৪/২০২০

# ভাৰতীয় বায়ু সেনা বাহিনীৰ উইং কমাণ্ডাৰ অসম জীয়ৰী বৰ্ণালী গগৈৰ মাতৃক সাক্ষাৎ কৰি অভিনন্দন জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভাৰতীয় বায়ু সেনা বাহিনীৰ উইং কামাণ্ডাৰ হিচাপে অলপতে পদোন্নতি লাভ কৰা বৰ্ণালী গগৈৰ উত্তৰ লখিমপুৰ চহৰৰ নকাড়ীস্থিত বাসগৃহত উপস্থিত হৈ তেখেতৰ মাতৃ তথা পৰিয়ালৰ আন সদস্যসকলক সাক্ষাৎ কৰি বৰ্ণালী গগৈয়ে কৰ্মজীৱনত লাভ কৰা সফলতাৰ বাবে অভিনন্দন জনায়। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে ভাৰতীয় বায়ু সেনা বাহিনীৰ উইং কামাণ্ডাৰ হিচাপে নিযুক্ত হৈ অসমৰ লগতে দেশমাতৃক গৌৰৱান্বিত কৰা অসম জীয়ৰীগৰাকীৰ মাতৃ অঞ্জলি গগৈক এখনি ফুলাম গামোচা, জাপি আৰু শৰাইৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

ইয়াৰ পিছতে তাত উপস্থিত থকা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্ণালী গগৈৰ এই কৃতকাৰ্যতাই অসমৰ নাৰী সমাজৰ লগতে প্ৰতিগৰাকী অসমীয়াকে গৌৰৱান্বিত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘বেটি বচাও, বেটি পঢ়াও’ আদিৰ দৰে নাৰী সৱলীকৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি ভাৰতীয় নাৰীক সকলো দিশৰ পৰা আগবঢ়াই নিয়াৰ বাবে প্ৰথমটো দিনৰে পৰা কাম কৰি আহিছে। একেদৰে ৰাজ্য চৰকাৰেও ৰাজ্যৰ নাৰী শক্তিৰ সৱলীকৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্ণালী গগৈৰ এই সফলতাই নাৰী সৱলীকৰণৰ দিশত বিশেষ অনুপ্ৰেৰণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, ৰাজ্যৰ নতুন প্ৰজন্মৰ ছাত্ৰীসকলৰ বাবে বৰ্ণালী গগৈয়ে লাভ কৰা সফলতাই বিশেষভাৱে অনুপ্ৰাণিত কৰিব বুলিও তেওঁ কয়। নিজৰ কৰ্মক্ষেত্ৰত নিষ্ঠা আৰু অদম্য সাহস পৰিচয় দি দেশমাতৃৰ প্ৰতি সেৱা আগবঢ়াই যোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম জীয়ৰীগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰাৰ উপৰি আগন্তুক সময়তো বৰ্ণালী গগৈয়ে নিজৰ কৰ্মজীৱনেৰে অসমবাসীক গৌৰৱান্বিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আজিৰ এই সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, উপায়ুক্ত ডাঃ জীৱন বি, আৰক্ষী অধীক্ষক লংনিট তেৰন আদিও উপস্থিত থাকে।

**বঃভাঃ**
**৩০/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in